# H.S. II[ND] YEAR PRE FINAL EXAMINATION, 2024
# ADVANCE ASSAMESE

Full Mark–100 Time–3 Hours

১/ চমু উত্তৰ দিয়াঃ (যিকোনো তিনিটা) 1×3=3

ক) মহাপুৰুষ শংকৰদেৱৰ কাব্যগ্ৰন্থ এখনৰ নাম লিখা ?

খ) চন্দ্ৰকুমৰ আগৰৱালাৰ কবিতাপুথি এখনৰ নাম লিখা ?

গ) 'অসম কেশৰী' হিচাপে কাক জনা যায় ?

ঘ) সমুদ্ৰ মন্হনত ওলোৱা বিষৰ নাম কি ?

ঙ) 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' স্বৰূপ সৰু গাঁওখনিৰ নাম কি ?

২/ ক) অন্বেষন কবিতাটিৰ মূলভাব লিখা ? 4×1=4

অথবা

খ) ই যে অগ্নি-বীণাৰ তান কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া ?

৩/ প্ৰসংগ সংগতি দৰ্শাই বাখ্যা কৰা (যিকোনো এছোৱা) 1×4=4

ক) বিশ্বৰ সৌন্দৰ্য্য খনি ! জন্মভূমি তই মাথোঁ
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া;

খ) এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ ।

গ) যদ্যাপি মূষলধাৰে মেঘে বৰষিল
তথাপি পৰ্ব্বতে পীড়া কিছু নজানিল ।
যিজনৰ মন ভৈল কৃষ্ণত প্ৰবেশ
তাক যেন লঙ্ঘিবে নপাৰে দুখক্লেশ ॥

৪/ তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা । 3×3=9

ক) বৰ্ষা কালৰ বৰ্ণনাৰ মাজেৰে শংকৰদেৱে ভক্তি ধৰ্মৰ তাত্বিক কথাবোৰ কিদৰে বৰ্ণনা কৰিছে ?

খ) চৌষষ্ঠি কলা বুলিলে কি বুজা চমুকৈ বাখ্যা কৰা ?

গ) কাঞ্চনজঙ্ঘাক ভাৰতবৰ্ষৰ অতীত বৰ্তমানৰ সাক্ষী কিয় কৰা হৈছে ?

ঘ) 'মোৰ গাওঁ' কবিতাটিত কমাৰফদিয়া গাঁৱৰ কেনেধৰনৰ পৰিবৰ্তন হোৱাৰ কথা উল্লেখ কৰিছে বুজাই লিখা ?

ঙ) মহাদেৱৰ গুণ আৰু কাৰ্য কাঞ্চনজঙ্ঘাত কিয় আৰোপ কৰা হৈছে ?

৫/ চমু উত্তৰ দিয়া । 1×3=3

ক) কোনে বিহুৰ নৃত্য গীতক অশোভন বুলি ঠাৱৰ কৰিছিল ?

খ) কিমান চনত বাঁহী আলোচনী প্ৰকাশ পায় ?

গ) প্ৰফুল্ল দত্ত গোস্বামীয়ে ৰচনা কৰা গ্ৰন্হ এখনৰ নাম লিখা ?

ঘ) 'নিবোকা চামোন' মানে কি ?

ঙ) সূৰ্য তুলা ৰাশিলৈ গলে কোনটো বিহু অনুষ্ঠিত হয় ?

৬/ ক) অতীত ভাৰতবৰ্ষৰ আৰ্য ঋষি মুনিসকলে বুৰঞ্জী নিলিখাৰ সন্দৰ্ভত বেজবৰুৱা ডাঙৰীয়াই ব্যংগাত্মকভাৱে কোৱা কথাখিনি তোমাৰ নিজৰ ভাষাত লিখা। 1×6=6

অথবা

খ) মাধৱদেৱৰ ঋন অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে—কথাষাৰৰ তাৎপৰ্য বিশ্লেষন কৰা।

৭/ তলত দিয়া যিকোনো দুটাৰ বিষয়ে চমুকৈ লিখা। 3×2=6

ক) পুৰাণ

খ) বিহু শব্দৰ উৎপত্তি

গ) বেদ

ঘ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ সাহিত্যকৃতি

৮/ ক) "কপিলী দুখৰো চকুলো-আনন্দৰো চকুলো"--- এই উক্তিৰ আধাৰত কপিলীপৰীয়া সাধু উপন্যাসৰ এটি আলোচনা আগবঢ়োৱা ? 1×8=8

অথবা

খ) "কপিলীয়েই কপিলীপৰীয়া মানুহৰ জীৱন"--- এই উক্তিৰ আধাৰত 'কপিলীপৰীয়া সাধু' উপন্যাসত কপিলী নদীখনৰ ভূমিকা সম্পৰ্কে বিচাৰ কৰা ?

৯/ ক) বসু কোন ? তেওঁৰ শিক্ষাগত অৰ্হতা কি ? 2

খ) ৰঙিলী কোন আছিল ? ৰঙিলী চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখা ? 3

গ) ৰূপায়ে তিলক গোসাইলৈ লিখা চিঠিখনৰ মৰ্মাৰ্থ কি আছিল ? 3

১০/ তলত দিয়া যিকোনো এজনৰ বিষয়ে চমুকৈ লিখা ? 4×1=4

ৰূপাই সোণপাহী দীনবন্ধু উকিল চুধাংচু বাবু

১১/ ক) আমাৰ ছাৰ কোন ? তেওঁৰ প্ৰকৃত নাম কি ? তেওঁৰ চৰিত্ৰ বিশ্লেষন কৰি দেখুওৱা ? 1+1+3=5

অথবা

খ) 'হাতী' গল্পত মূল্যবোধৰ অবক্ষয়ৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, তাৰ এটি আভাস দিয়া ?

১২/ ক) আমাৰ ছাৰ গল্পটিত থকা স্কুলৰ চকীদাৰজনৰ নাম কি ? 1

খ) আমাৰ ছাৰ গল্পত থকা কইনাজনীৰ নাম কি আছিল ? ছাৰে কইনাজনীক কি উপহাৰ দিছিল ? 2

গ) 'চাঞ্চটো ললোঁ', বেয়া নাপাবি।'--- সংলাপ ফাঁকিৰ বক্তা কোন ? তেওঁ কি 'চাঞ্চ' লোৱাৰ কথা কৈছে ? 2

১৩/ ক) চুটিগল্প বুলিলে কি বুজা ? চুটিগল্পৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা। 2+4=6

বা

খ) উপন্যাস আৰু চুটিগল্পৰ প্ৰাৰ্থক্য বিচাৰ কৰি এক আলোচনা আগবঢ়োৱা ?

১৪/ তলৰ যিকোনো এটাৰ বিষয়ে চমুকৈ লিখা। 4

ক) চুটিগল্পৰ বিষয়বস্তু

খ) উপন্যাসৰ সংজ্ঞা

গ) ঐতিহাসিক উপন্যাস

১৫/ ক) অলংকাৰ কাক বোলে ? ই কেইি প্ৰকাৰ আৰু কি কি ? কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাই লিখা ? 6

বা

খ) শব্দালংকাৰ কাক বোলে ? উদাহৰণৰ সৈতে দুবিধ শব্দালংকাৰৰ বিষয়ে বহলাই লিখা ?

১৬/ ক) জগজন জীৱন অজন জনাৰ্দন

দনুজদমন দুখহাৰী

মোহদানন্দ কন্দ পৰমানন্দ

নন্দ নন্দন বনচাৰী ।

—এই কাব্য পংক্তিত কি অলংকাৰ প্ৰয়োগ হৈছে? অলংকাৰ বিধৰ বিষয়ে অতি চমুকৈ লিখা ? 1+2=3

খ) সংস্কৃত কি শব্দৰ পৰা 'অলংকাৰ' শব্দটো উৎপত্তি হৈছে ? 1

১৭/ ক) যোগেশ দাসৰ চুটিগল্পৰ বিষয়ে এক নাতিদীৰ্ঘ টোকা যুগুত কৰা ? 6

খ) হোমেন বৰগোহাঞিৰ চুটিগল্প সম্পৰ্কে এক আলোচনা আগবঢ়োৱা ?

১৮/ **চমু উত্তৰ দিয়াঃ (যিকোনো তিনিটা)** 1×3=3

ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা উপন্যাসখনৰ নাম কি ?

খ) 'সুৰভি' গল্প সংকলনৰ ৰচক কোন ?

গ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বটা লাভ কৰিছিল ?

ঘ) জনজাতীয় পটভূমিক লৈ লিখা প্ৰথম সামাজিক উপন্যাসখনৰ নাম লিখা ?

************************X*********************